GAS S4 01

Exam Code: ASM4A / ASE4A / ASP4A

ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান

চতুর্থ ষাণ্মাসিক

অসমীয়া

খণ্ড - ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্ৰাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়
ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
৯	ড° বর্ণালী দাস ড° সর্বপল্লী ৰাধাকৃষ্ণণ অকাডেমী
১০	চম্পা পাটগিৰি, আর্য বিদ্যাপীঠ মহাবিদ্যালয় ড° মিলন নেওগ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
১১	গোলাপ সুত, প্রাগজ্যোতিষ মহাবিদ্যালয় ড° মৃণাল জ্যোতি গোস্বামী
১২, ১৩, ১৫	পাপুমণি শইকীয়া জগন্নাথ বৰুৱা মহাবিদ্যালয়
১৪	ড° মণিৰাম কলিতা সোণাপুৰ মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	ড° স্মৃতিৰেখা ভূঞা, গুৱাহাটী মহাবিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	ড° মৃণাল জ্যোতি গোস্বামী
আৰ্হি কাকত	ঃ	ড° জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ নভেম্বৰ, ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ **ভাষা-বিজ্ঞান অধ্যয়ন — বিভিন্ন স্তৰ** **১১৭-১২৭**
ভাষা-বিজ্ঞান অধ্যয়নৰ স্তৰ ঃ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, অর্থতত্ত্ব

অধ্যায় ১০ ঃ **ধ্বনিতত্ত্ব** **১২৮-১৪০**
ধ্বনি — ধ্বনিতত্ত্ব; বাগিন্দ্রিয়, স্বৰ আৰু ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনি

অধ্যায় ১১ ঃ **ৰূপতত্ত্ব** **১৪১-১৫২**
ৰূপতত্ত্ব

অধ্যায় ১২ ঃ **অর্থতত্ত্ব** **১৫৩-১৭১**
অর্থতত্ত্ব

অধ্যায় ১৩ ঃ **বাক্যতত্ত্ব** **১৭২-১৮৪**
বাক্যতত্ত্ব

অধ্যায় ১৪ ঃ **উপভাষা বিজ্ঞান** **১৮৫-১৯৮**
ভাষা আৰু উপভাষা; উপভাষাৰ গঠন ঃ আঞ্চলিক উপভাষা, সামাজিক উপভাষা, জাতি বা বর্ণগত উপভাষা, লিংগ ভেদে উপভাষা; পাৰস্পৰিক বোধগম্যতা, ব্যক্তি ভাষা, মান্য ভাষা, পৰিস্থিতি নির্ধাৰক ভাষা

অধ্যায় ১৫ ঃ **সমাজ ভাষা-বিজ্ঞান** **১৯৯-২১৫**
সমাজ ভাষা-বিজ্ঞান

প্রসঙ্গ পুথি **২১৬-২১৯**

খণ্ড পৰিচয় ঃ খণ্ড - ২

'ভাষাৰ বিভিন্ন ৰূপ আৰু ভাষা-বিজ্ঞান' শীৰ্ষক পাঠ্যবিষয়টিৰ এইটো দ্বিতীয় খণ্ড। এই খণ্ডটোত সৰ্বমুঠ সাতটা অধ্যায় অন্তৰ্ভুক্ত হৈছে। ইয়াৰ আগৰ খণ্ডটোত ইতিমধ্যে আপুনি ভাষা-পৰিয়াল, ভাষাৰ বৰ্গীকৰণ, ভাষা-বিজ্ঞান চৰ্চাৰ ইতিহাস, ভাষাৰ বিভিন্ন ৰূপ, ভাষা পৰিৱৰ্তনৰ বিভিন্ন কাৰক আৰু ভাষা বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা সম্পৰ্কে বহলাই অধ্যয়ন কৰিলে। এতিয়া এই খণ্ডটোত আমি ভাষা-বিজ্ঞান অধ্যয়নৰ বিভিন্ন স্তৰ সম্পৰ্কে বহলাই আলোচনা কৰিম। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ইয়াৰ কিছু কথা আপুনি তৃতীয় যাণ্মাসিকতো অধ্যয়ন কৰি আহিছে। কিন্তু সেই একেইখিনি বিষয়বস্তু এইখন পাঠ্যবিষয়টো পুনৰোক্তি কৰাৰ মূল কাৰণ হ'ল আপুনি যাতে সেই বিষয় কেইটা সম্পৰ্কে গভীৰ ধাৰণা লাভ কৰে।

পাঠ্যবিষয়খনৰ এইটো খণ্ডৰ প্ৰথমটো অধ্যায়ৰ শিৰোনাম হৈছে— ভাষা-বিজ্ঞান অধ্যয়ন ঃ বিভিন্ন স্তৰ। ইয়াত ভাষাবিজ্ঞানে স্বীকৃতি দিয়া ভাষা বিশ্লেষণৰ চাৰিটা স্তৰৰ কথা আলোচনা কৰা হৈছে। সেই স্তৰকেইটা হৈছে ক্ৰমে— ধ্বনিৰ স্তৰ বা ধ্বনিতত্ত্ব, ৰূপৰ স্তৰ বা ৰূপতত্ত্ব, অৰ্থৰ স্তৰ বা অৰ্থতত্ত্ব আৰু বাক্যৰ স্তৰ বা বাক্যতত্ত্ব। এই খণ্ডটোৰ দ্বিতীয়টো অধ্যায় অৰ্থাৎ পাঠ্যবিষয়ৰ দশমটো অধ্যায়— ধ্বনিতত্ত্বত ধ্বনি মানে কি, ধ্বনিতত্ত্ব মানে কি সেই সম্পৰ্কে আলোচনা কৰাৰ লগতে ধ্বনি সৃষ্টিৰ বিভিন্ন অঙ্গসমূহৰ পৰিচয় দাঙি ধৰি স্বৰধ্বনি, ব্যঞ্জনধ্বনি, বিশিষ্ট ধ্বনি আৰু উপধ্বনিৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। ভাষা বিশ্লেষণৰ আন এটা উপাদান হ'ল — 'ৰূপতত্ত্ব'। ৰূপতত্ত্ব সম্পৰ্কে পাঠ্যবিষখনৰ একাদশ অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। ভাষা-বিজ্ঞান অধ্যয়নৰ আন এটা স্তৰ অৰ্থতত্ত্ব সম্পৰ্কে দ্বাদশ অধ্যায়ত আলোচনা দাঙি ধৰা হৈছে। সাধাৰণ অৰ্থত বাক্যতত্ত্ব বুলি ক'লে, বাক্যৰ সাধাৰণ ৰূপ-গঠন প্ৰণালী সম্পৰ্কে য'ত বিশ্লেষণ কৰা হয় তাকে বুজা যায়। পাঠ্যবিষয়টিৰ ত্ৰয়োদশ অধ্যায় — 'বাক্যতত্ত্ব' মানে কি, বাক্যতত্ত্বৰ লগত সম্পৰ্কিত প্ৰায় আটাইবোৰ দিশৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। চতুদৰ্শ অধ্যায়ৰ শিৰোনাম হৈছে 'উপভাষা বিজ্ঞান'। ইয়াত ভাষা আৰু উপভাষাৰ চমু পৰিচয় প্ৰদানৰ লগতে দুয়োটাৰে মাজত থকা সম্পৰ্ক, উপভাষাৰ গঠন, ব্যক্তি ভাষা আৰু মান্য ভাষা ইত্যাদি নানান দিশৰ আলোচনা সামৰা হৈছে। পাঠ্যবিষয়খনৰ শেষৰটো অধ্যায় 'সমাজ ভাষা-বিজ্ঞান'ত আপুনি সমাজ ভাষা-বিজ্ঞান সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়ৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।